৩.২ পৰিচয়

স্নাতকোত্তৰ পাঠ্যক্ৰমৰ প্ৰথম ষান্মাষিকৰ অন্তৰ্গত এইখন (AEC-1) পাঠ্যবিষয় "প্ৰায়োগিক অসমীয়া"। পাঠ্যবিষয়ৰ এইটো তৃতীয় অধ্যায়। কোনো এক ভাষাৰ গাঁথনিক দিশৰ অধ্যয়নৰ বাবে ভাষাটোৰ ব্যাকৰণ অধ্যয়নৰ প্ৰয়োজনীয়তা স্বীকাৰ কৰা হয়। ব্যাকৰণৰ জ্ঞানে ভাষাৰ গঠন বা বৈশিষ্ট্য জনাত সহায় কৰে। এই অধ্যায়টোত অসমীয়া ভাষাৰ ব্যাকৰণৰ অন্তৰ্গত কেইটিমান বিষয় আলোচনা কৰা হৈছে। সেয়া হৈছে - প্ৰত্যয় (কৃৎ আৰু তদ্ধিত), বিভক্তি (নামবিভক্তি বা কাৰক বিভক্তি আৰু ক্ৰিয়া বিভক্তি) আৰু উপসৰ্গ।

৩.৩ প্ৰত্যয়

প্ৰকৃতি বা মূলৰ লগত যি ধ্বনি বা ধ্বনিসমষ্টি যোগ হৈ নতুন শব্দ সাধন কৰে তাকেই প্ৰত্যয় বোলে। যেনে -

কৰ্ + আ = কৰা

খেত্ + ই = খেতি

খা + উৱা = খুৱা, ইত্যাদি।

ওপৰৰ উদাহৰণবোৰত পোৱা - আ, -ই আৰু -উৱা হ'ল প্ৰত্যয়।

৩.৩.১ কৃৎ প্ৰত্যয়

ধাতুৰ লগত যোগ হৈ যিবোৰ প্ৰত্যয়ে ধাতুশব্দ আৰু বিশেষ্য-বিশেষণ নামশব্দ অথবা **প্ৰাতিপদিক** সৃষ্টি কৰিব পাৰে সেইবোৰ প্ৰত্যয়কে কৃৎপ্ৰত্যয় বোলা হয়। সাধাৰণভাৱে ক'বলৈ হ'লে ধাতু বা ক্ৰিয়াৰ মূলৰ লগত যোগ হোৱা প্ৰত্যয়ক কৃৎ প্ৰত্যয় বোলে। যেনে -

কৰ্ + আ = কৰা

কৰ্ + ওঁতা = কৰোঁতা

নাচ্ + অনী = নাচনী

ৰান্ধ্ + অনি = ৰান্ধনী

দা + অনি = দাৱনি

পক্ + ইল = পকিল

বহ্ + উৱা = বহুৱা

শিকা + ওঁতা = শিকাওঁতা

দি + আ = দিয়া



জানি থোৱা ভাল

প্রকৃতি বা মূল ঃ যিকোনো এটা পদ ভাঙিলে তাৰ এটা মূল ৰূপ পোৱা যায়। যেনে - খেতি = খেত্ + ই। ইয়াত খেতি পদটোৰ মূল ৰূপ হৈছে খেত্। ইয়াকে প্রকৃতি বা মূল বুলি কোৱা হয়। এনে প্রকৃতি বা মূলক ধাতু আৰু প্রাতিপদিক নামেৰে দুভাগত ভগাব পাৰি।

প্রাতিপদিক ঃ যিবিলাক মূল ৰূপে কোনো বস্তুক বুজায় বা বস্তুৰ বিশেষ অৱস্থা বুজায় সেইবোৰকে প্রাতিপদিক (নাম) বোলা হয়। প্রকৃততে ধাতুৰ বাহিৰে আন সকলোবোৰ প্রকৃতি বা মূলকে প্রাতিপদিক বোলে। যেনে - খেত্, মা, জী, বোধ, ঘৰ, ল'ৰা, কিতাপ, কলম আদি প্রকৃতি বা মূলৰোৰ প্রাতিপদিক।

৩.৩.২ তদ্ধিত প্রত্যয়

প্রাতিপদিকৰ লগত যোগ হৈ যিবোৰ প্রত্যয়ে নতুন নামশব্দ সৃষ্টি কৰিব পাৰে সেইবোৰ প্রত্যয়ক তদ্ধিত প্রত্যয় বোলে। যেনে -

অসম + ঈয়া = অসমীয়া
বগ্ + ঈ = বগী
আগ্ + অতীয়া = আগতীয়া
পুৰুষ+ আলি = পুৰুষালি
তোমা + লোক = তোমালোক
চৰাই + বিলাক = চৰাইবিলাক
ফুল + অনি = ফুলনি
বাট + অৰুৱা = বাটৰুৱা
বোধ্ + ই = বুধি
বাপ্ + উ = বাপু
ফন্দ্(ফান্দ্) + ই = ফন্দি, ইত্যাদি।

৩.৩.২ নির্দিষ্টতাবাচক প্রত্যয়

অসমীয়া ভাষাৰ ৰূপতত্ত্বৰ এটা অন্যতম দিশ হ'ল নির্দিষ্টতাবাচক বা শ্রেণীনির্দেশক প্রত্যয়। এই প্রত্যয়বোৰ অসমীয়া ভাষাৰ ৰূপতত্ত্বৰ এক গুৰুত্বপূর্ণ উপাদান। আধুনিক ভাৰতীয় আর্যভাষাৰ

ভিতৰত একমাত্ৰ অসমীয়া ভাষাতে এনে প্রত্যয়ৰ বহুল প্রয়োগ দেখা যায়। অসমীয়া ভাষাত প্রায় ২০ টাতকৈও অধিক নির্দিষ্টতাবাচক প্রত্যয়ৰ প্রয়োগ আছে। সেইফালৰ পৰা নির্দিষ্টতাবাচক প্রত্যয়ৰ প্রয়োগৰ ক্ষেত্রত অসমীয়া ভাষা অতি চহকী।

নির্দিষ্টতাবাচক বা শ্রেণীনির্দেশক প্রত্যয় হৈছে সেইবোৰ প্রত্যয় যিবোৰ প্রত্যয় কোনো বস্তুৰ আকৃতি, প্রকৃতি, পৰিমাণ, সংখ্যা, লিঙ্গ আদি বিশেষভাৱে নির্দিষ্ট কৰি বুজায়। এইবোৰ প্রত্যয় প্রাণীবাচক আৰু অপ্রাণীবাচক সকলো শব্দৰ লগত প্রয়োগ হয়। বিশেষ্য, বিশেষণ, কিছুমান সর্বনাম আৰু সংখ্যাবাচক শব্দৰ পাছত যোগ হৈ কোনো বস্তু বা প্রাণীৰ ইহঁতে নির্দিষ্টকৈ প্রকাশ কৰে। গতিকে যিবোৰ প্রত্যয় বিশেষ্য, বিশেষণ, সর্বনাম আৰু সংখ্যাবাচক শব্দৰ পাছত যোগ হৈ কোনো বস্তু বা প্রাণীৰ আকৃতি, প্রকৃতি, লিঙ্গ, পৰিমাণ, সংখ্যা আদি নির্দিষ্ট কৰি দেখুৱাব পাৰে তেনেবোৰ প্রত্যয়ক নির্দিষ্টতাবাচক প্রত্যয় বুলি কোৱা হয়। নিদর্শন স্বৰূপে-

(১) মানুহজন বৰ ভদ্র।

(২) পাঁচখন কিতাপ আনিবা।

(৩) পাহাৰটো ওখ।

(৪) কোন গৰাকী মানুহৰ কথা কৈছা?

(৫) বস্তিগছ জ্বলাই দিয়া ইত্যাদি। এই বাক্যকেইটা হ'ল নির্দিষ্টতাবাচক প্রত্যয়। এই প্রত্যয়কেইটা কোনো বস্তু বা ব্যক্তিক নির্দিষ্টকৈ বুজাইছে।

আধুনিক ভাৰতীয় আর্যভাষাসমূহৰ ভিতৰত একমাত্ৰ অসমীয়া ভাষাতেই নির্দিষ্টতাবাচক প্রত্যয়ৰ প্রয়োগ সর্বাধিক। এই প্রত্যয়বোৰ ব্যৱহাৰ কৰাৰ বৈশিষ্ট্যটো আর্যভিন্ন ভাষাৰ প্রভাৱৰ পৰা অসমীয়া ভাষালৈ আহিছে বুলি বাণীকান্ত কাকতিয়ে মন্তব্য কৰিছে। অৱশ্যে অসমীয়া ভাষাত প্রয়োগ হোৱা প্রায়বোৰ নির্দিষ্টতাবাচক প্রত্যয়ৰ মূল সংস্কৃত বুলি বাণীকান্ত কাকতিয়ে তেওঁৰ গৱেষণা গ্রন্থত উল্লেখ কৰিছে। কিন্তু, তথাপি অসমীয়া ভাষাত এই প্রত্যয়বোৰৰ ব্যাপক প্রয়োগৰ দিশটোত তিব্বত-বর্মী ভাষাৰ প্রভাৱৰ কথা অস্বীকাৰ কৰিব নোৱাৰি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ কি প্রত্যয় যোগ হৈছে বাছি উলিয়াওক -

ক) কৰা; খ) ৰান্ধনী; গ) পুৰুষালি; ঘ) ফুলনি

৩.৪ বিভক্তি

সুকীয়া সুকীয়া অর্থযুক্ত যিবোৰ ধ্বনি বা ধ্বনিসমষ্টি শব্দৰ লগত যোগ হৈ বাক্যত পদৰ স্থান নির্ণয় কৰে, সেই ধ্বনিসমষ্টিকে বিভক্তি বোলে।



জানি থোৱা ভাল

১) বিভক্তিবোৰ পদত নহ'লে নহয়; ইহঁতে পদ তৈয়াৰ কৰে।
২) বিভক্তিবোৰৰ প্ৰত্যেকৰে সুকীয়া সুকীয়া অৰ্থ থাকে।
৩) বিভক্তিবোৰ অকলে ক'তো ব্যৱহাৰ হ'ব নোৱাৰে।
৪) ইহঁত এটা বা ততোধিক বৰ্ণৰে গঠিত হ'ব পাৰে।

বিভক্তিৰ প্ৰকাৰ

অসমীয়া ভাষাত বিভক্তি প্ৰধানতঃ দুবিধ -

১) নামবিভক্তি বা কাৰক বিভক্তি, আৰু
২) ক্ৰিয়া বিভক্তি

৩.৪.১ নামবিভক্তি বা কাৰক বিভক্তি

নামশব্দ পদৰূপে পৰিগণিত হৈ বাক্যত ব্যবহাৰ হ'বৰ বাবে যিবোৰ বিভক্তিৰ প্ৰয়োজন হয় সেইবোৰকে কাৰক বিভক্তি বোলে। নামশব্দত কাৰক বিভক্তি যোগ হৈ নামপদ গঠিত হয় আৰু সেই নামপদে পাৰস্পৰিক বা ক্ৰিয়াৰ লগত সম্বন্ধ স্থাপন কৰি বাক্যৰ অৰ্থ প্ৰকাশ কৰে।



জানি থোৱা ভাল

কাৰক আৰু বিভক্তি একে নহয়। বিভক্তিবোৰ ৰূপ, কাৰক সিহঁতৰ অৰ্থ বা কাৰ্য। সেয়ে একেটা বিভক্তিৰে প্ৰয়োগভেদে বিভিন্ন কাৰক আৰু একে কাৰকতে একাধিক বিভক্তি পোৱা যায়।

কাৰক বিভক্তি ছয় প্ৰকাৰৰ -

কাৰক	নাম	স্বৰান্ত শব্দৰ পিছত	ব্যঞ্জনান্ত শব্দৰ পিছত
কৰ্তা	প্ৰথমা	-এ, -ই, -০	-এ, -০
কৰ্ম	দ্বিতীয়া	-ক, -০	- অক, -০
কৰণ	তৃতীয়া	-ৰে	- এৰে
নিমিত্ত	চতুৰ্থী	-লৈ	- অলৈ
সমন্ধ পদ	ষষ্ঠী	- ৰ	- অৰ
অধিকৰণ	সপ্তমী	-ত	-অত



জানি থোৱা ভাল

-০ (শূন্য) বিভক্তি ঃ কিছুমান নামপদ কোনো বিভক্তিৰ চিন নোলোৱাকৈয়ে বিভক্তিযুক্ত পদৰ দৰে বাক্যত প্ৰয়োগ হয়। সেইদেখি, এই পদবোৰত শূন্যটোকে এটা বিভক্তিৰ চিন বুলি ধৰি লোৱা হয়।

অসমীয়া ভাষাত অপাদান কাৰক আছে যদিও পঞ্চমী বিভক্তি নাই। '- অৰ' বিভক্তিযুক্ত পদৰ পিছত 'পৰা' অনুসৰ্গ যোগ হৈ অপাদান কাৰকৰ অৰ্থ প্ৰকাশ কৰা হয়।

৩.৪.২ ক্ৰিয়া বিভক্তি

যিবোৰ বিভক্তিয়ে কোনো কাৰ্য কৰা বা হোৱা বুজোৱা ধাতুত বা ধাতুশব্দত যোগ হৈ কাৰ্যটো কৰা বা হোৱা অৰ্থ নিৰূপণ কৰিব পাৰে সেইবোৰকেই ক্ৰিয়া বিভক্তি বোলা হয়।

ধাতুত ক্ৰিয়া বিভক্তি যোগ হৈ ক্ৰিয়াপদ গঠন হয়। ধাতুৰ বিভক্তিবোৰে ক্ৰিয়াপদৰ কৰ্তাজনৰ পুৰুষ নিৰ্ণয় কৰে। ক্ৰিয়া বিভক্তিবোৰ একেলগে কালবাচক আৰু পুৰুষবাচক। কাল আৰু পুৰুষ অনুযায়ী ক্ৰিয়া বিভক্তিবোৰ তলত দিয়া ধৰণে ভাগ কৰিব পাৰি -

কাল অনুযায়ী

কাল	**কালবাচক বিভক্তি**
নিত্য বৰ্তমান	—
স্বৰূপ বৰ্তমান	- ইছ্
সাধাৰণ ভূত	- ইল্, -ল
পূৰ্ণ ভূত	- ইছিল (ইছ্, -ইল্)
ভবিষ্যত	- ইব, -ব, -ম

পুৰুষ অনুযায়ী

পুৰুষ	**বিভক্তি**
উত্তম পুৰুষ	- ওঁ
মধ্যম মান্য পুৰুষ	- আ
মধ্যম তুচ্ছ বা সামান্য পুৰুষ	- অ, -ই, -০(শূন্য)
নাম পুৰুষ	-অক, -এ, -০(শূন্য)

৩.৫ বিভক্তি আৰু প্রত্যয়ৰ পার্থক্য

১) বিভক্তিবোৰ পদ গঠনৰ অপৰিহার্য অংগ। ইহঁতে প্রকৃতি বা মূলৰ পিছত বহি বাক্যৰ অর্থ নির্দেশ কৰে। আনহাতে প্রত্যয়ে প্রকৃতি বা মূলৰ পিছত বহি একোটা নতুন শব্দৰ সৃষ্টি কৰে।

২) মূলত এক বা একাধিক প্রত্যয় যোগ হ'ব পাৰে আৰু এই প্রত্যয় যোগ হোৱাৰ পাছতহে বিভক্তি যোগ হয়। বিভক্তি যোগ হোৱাৰ পাছত আৰু প্রত্যয় যোগ নহয়।

৩) বিভক্তিয়ে শব্দক পদলৈ পৰিণত কৰে। বিভক্তি যোগ হোৱাৰ বাবেই বাক্যৰ পদবোৰৰ পাৰস্পৰিক সমন্ধ স্থাপন হয়। কিন্তু প্রত্যয়ৰ সংযোগত কেৱল নতুন শব্দহে সাধন হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ সুকীয়া সুকীয়া অর্থযুক্ত যিবোৰ ধ্বনি বা ধ্বনিসমষ্টি শব্দৰ লগত যোগ হৈ বাক্যত পদৰ স্থান নির্ণয় কৰে, সেই ধ্বনি বা ধ্বনিসমষ্টিক কি বোলা হয়?

৩.৬ উপসর্গ

প্রকৃতি বা মূলৰ আগত সংযুক্ত হৈ অর্থভেদ কৰিব পৰা ধ্বনি বা ধ্বনিসমষ্টিয়েই (অথবা সর্গসমূহেই) উপসর্গ। উপ মানে ওপৰ বা আগ। পদৰ বা শব্দৰ আগত যুক্ত হয় কাৰণে এইবোৰৰ নাম উপসর্গ হৈছে। উপসর্গ হৈছে এবিধ অব্যয়। ইহঁতৰ নিজে কোনো অর্থ প্রকাশ কৰিব নোৱাৰে। ধাতুৰ আগত বহি ভিন্ ভিন্ অর্থ প্রকাশ কৰে। উপসর্গযুক্ত পদবোৰ বিশেষ্য বা বিশেষণ হয়। উপসর্গৰ যোগত নিষ্পন্ন হোৱা ধাতুৰ অর্থ কেতিয়াবা একেই থাকে, কেতিয়াবা বিপৰীত হয় আৰু কেতিয়াবা বেলেগ অর্থ প্রকাশ কৰে।

অসমীয়া ভাষাত পোৱা উপসর্গসমূহক সংস্কৃতীয় আৰু অসমীয়া নিজা - এই দুই ভাগত ভগাব পাৰি। অসমীয়া নিজা উপসর্গৰ সৱহখিনিয়েই সংস্কৃত উপসর্গৰ পৰাই ৰূপ সলাই আহিছে। সংস্কৃত ভাষাত কুৰিটা উপসর্গ আছে। সেয়া হ'ল-

প্র— প্রকাৰ, প্রমাণ, প্রয়োগ, প্রচুৰ, প্রবল, প্রখৰ, প্রকৃতি, প্রভা ইত্যাদি।

পৰা— পৰাক্রম, পৰাজয়, পৰাভূত, পৰাধীন, পৰামর্শ, পৰায়ণ ইত্যাদি।

অপ— অপৰাধ, অপবাদ, অপমান, অপঘাত, অপপ্রচাৰ, অপহৰণ ইত্যাদি।

সম্— সংঘাত, সম্বাদ, সংকট, সম্ভৰ, সংগীত, সম্ভাৰ, সংলাপ ইত্যাদি।

অনু— অনুভৰ, অনুতাপ, অনুগ্রহ, অনুসৰণ, অনুৰাগ, অনুসর্গ ইত্যাদি।

নি— নিপাত, নিদ্রা, নিবাৰণ, নিগম, নিষেধ, নিমগ্ন, নিকট ইত্যাদি।

অৱ— অৱদান, অৱসাদ, অৱগাহন, অৱসৰ, অৱগত, অৱকাশ ইত্যাদি।

নিৰ্— নির্দয়, নির্জন, নির্ঘাত, নিৰন্তৰ, নির্মম, নির্যাতন, নির্বোধ ইত্যাদি।

দূৰ্— দুর্যোগ, দুর্ভাগ্য, দুর্বল, দুর্যোগ, দুর্দান্ত, দুর্ভিক্ষ, দুর্জন ইত্যাদি।

বি— বিকাৰ, বিফল, বিৰোধ, বিশাল, বিষাদ, বিনয়, বিশিষ্ট ইত্যাদি।

অধি— অধিপতি, অধিকৰণ, অধিৱেশন, অধিবাস, অধিকাৰ ইত্যাদি।

সু— সুকুমাৰ, সুনাম, সুজলা, সুখ্যাতি, সুবাস, সুন্দৰ, সুভাষিত ইত্যাদি।

উৎ— উৎসৰ, উৎকর্ষ, উৎপত্তি, উৎসুক, উৎপাদন, উৎপীড়ন ইত্যাদি।

পৰি— পৰিত্রাণ, পৰিজন, পৰিহাৰ, পৰিপূর্ণ, পৰিচয়, পৰিণতি ইত্যাদি।

প্রতি— প্রতিদান, প্রতিধ্বনি, প্রতিফলন, প্রতিৰোধ, প্রতিযোগিতা ইত্যাদি।

অভি— অভিমান, অভিনন্দন, অভিমুখ, অভিভাষণ, অভিজ্ঞান ইত্যাদি।

অপি— অপিচ, অপিনদ্ধ, অপিনিধান, অপিতু ইত্যাদি।

অতি— অতিশয়, অতিমাত্র, অতিৰঞ্জিত, অতিক্রম, অতিকায় ইত্যাদি।

উপ— উপযুক্ত, উপদেশ, উপবন, উপায়, উপকথা, উপগ্রহ ইত্যাদি।

আ— আৱাহন, আৰোহণ, আহাৰ, আৰম্ভ, আকাৰ, আদেশ ইত্যাদি।

অসমীয়া নিজা উপসর্গবোৰৰ ভিতৰত উল্লেখযোগ্য হ'ল - অ, অন, অনা, অনু, আ, আও, আদ, উপ, এ, কা, কু, নি, বদ, বি, বে, স, সু, ইত্যাদি। এইবোৰৰে গঠিত কেতবোৰ শব্দ হ'ল—

অ— অসুখ, অসুৰ, অনামী, অহিংসা, অসাৰ, অজানা ইত্যাদি।

অন— অনন্ত, অনল, অনশন ইত্যাদি।

অনা— অনাদৰ, অনাদৃত, অনাহাৰ, অনাবৃষ্টি, অনাগ্রহ ইত্যাদি।

অনু— অনুতাপ, অনুবাদ, অনুকাৰ, অনুনয়, অনুভৰ ইত্যাদি।

আ— আৱাম, আবৃত্তি, আকাৰ, আকাল, আৱাহন, আকর্ষণ ইত্যাদি।

আও— আওমৰণ, আওহেলা, আওকাণ, আওপুৰণি ইত্যাদি।

আদ— আদৰুৱা, আদহীয়া, আদ্‌বয়স, আদৰণি ইত্যাদি।

উপ— উপদেশ, উপবাস, উপহাৰ, উপনাম, উপমা ইত্যাদি।

এ— এলাহ, এৰেহা, এৰাসুঁতি, এলাগী, এহালি ইত্যাদি।

কা— কামনা, কাকুতি, কাম, কান্দোন, কাজী ইত্যাদি।

কু— কুকর্ম, কুবুদ্ধি, কুটনীতি, কুশল, কুসুম, কুম্ভকর্ণ ইত্যাদি।

নি— নিৰাকাৰ, নিদাৰুণ, নিকৃষ্ট, নিষ্পত্তি, নিজান, নিতাল ইত্যাদি।

বদ— বদমাচ, বদহজম, বদ্ধমূল, বদ্ধপৰিকৰ ইত্যাদি।

বি— বিফল, বিকল, বিজয়, বিকাশ, বিকল্প, বিলাস, বিস্ময় ইত্যাদি।

বে— বেপৰুৱা, বেলেগ, বেমাৰ, বেআইনী, বেমেজালি, বেয়া ইত্যাদি।

স— সৱহ, সংকেত, সংবাদ, সহজ, সফল, সচেতন ইত্যাদি।

সু— সুৱলা, সুন্দৰ, সুবাস, সুকুমাৰ, সুবিশাল, সুগন্ধি ইত্যাদি।

সংস্কৃত ভাষাত উপসর্গবোৰ কেৱল ধাতুৰ আগত যোগ হয়। সংস্কৃতত একেটা ধাতুৰ আগত একাধিক উপসর্গ এটাৰ পিছত এটাকৈ যোগ হৈ একেলগে বহিব পাৰে। অসমীয়া নিজা উপসর্গবোৰ ধাতু আৰু প্রাতিপাদিক দুয়োটাৰে আগত বহে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ অ, অনা, আ আৰু উপ উপসর্গৰে গঠিত একোটাকৈ শব্দ লিখক।



৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- প্রকৃতি বা মূলৰ লগত যি ধ্বনি বা ধ্বনিসমষ্টি যোগ হৈ নতুন শব্দ সাধন কৰে তাকেই প্রত্যয় বোলে। প্রত্যয় দুবিধ - কৃৎ আৰু তদ্ধিত।
- ধাতু বা ক্রিয়াৰ মূলৰ লগত যোগ হোৱা প্রত্যয়ক কৃৎ প্রত্যয় বোলে। যেনে - কৰ্ +আ = কৰা। আনহাতে প্রাতিপদিকৰ লগত যোগ হোৱা প্রত্যয়ক তদ্ধিত প্রত্যয় বোলে। যেনে - বাট + অৰুৱা = বাটৰুৱা
- সুকীয়া সুকীয়া অর্থযুক্ত যিবোৰ ধ্বনি বা ধ্বনিসমষ্টি শব্দৰ লগত যোগ হৈ বাক্যত পদৰ স্থান নির্ণয় কৰে, সেই ধ্বনি বা ধ্বনিসমষ্টিকে বিভক্তি বোলে। অসমীয়া ভাষাত বিভক্তি প্রধানতঃ দুবিধ - নামবিভক্তি বা কাৰক বিভক্তি আৰু ক্রিয়া বিভক্তি।
- বিভক্তি আৰু প্রত্যয়ৰ পার্থক্য আছে।
- প্রকৃতি বা মূলৰ আগত সংযুক্ত হৈ অর্থভেদ কৰিব পৰা ধ্বনি বা ধ্বনিসমষ্টিয়েই (অথবা সর্গসমূহেই) উপসর্গ।



৩.৮ অধিক জানিবলৈ

গোস্বামী, উপেন্দ্রনাথ (২০১৫); *অসমীয়া ভাষাৰ ব্যাকৰণ*, গুৱাহাটী ঃ মণি-মাণিক প্রকাশ।

গোস্বামী, গোলোকচন্দ্র (২০০০); *অসমীয়া ব্যাকৰণ প্রবেশ*, গুৱাহাটী ঃ বীণা লাইব্রেৰী